# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০৩

## প্ৰাথমিক পৰ্যায়ত ভাষা শিক্ষণ

## খণ্ড - ৩

## শ্ৰেণীকোঠাত ভাষা শিক্ষণ

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৰচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচি. ইন

# অধ্যক্ষৰ বাৰ্তা

**শিকাৰুসকল,**

ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ অধীনত (MHRD), অধীনত NIOS হৈছে এক স্বশাসিত সংস্থা। মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত ইয়াত কমেও ২.০২ মিলিয়ন শিকাৰুৱে শিক্ষা গ্ৰহণ কৰি আছে। ই হৈছে পৃথিৱীৰ ভিতৰত সকলোতকৈ ডাঙৰ মুক্ত বিদ্যালয়। NIOS ৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ১৫টা আঞ্চলিক কেন্দ্ৰ, ২টা উপকেন্দ্ৰ আৰু ৫০০০তকৈও অধিক অধ্যয়ন কেন্দ্ৰ য'ত বিদ্যায়তনিক আৰু বৃত্তিগত পাঠ্যক্ৰম সোমাই আছে। NIOS এ শিকাৰু কেন্দ্ৰিক গুণগত শিক্ষা প্ৰদান কৰে, কৌশল উন্নত কৰে আৰু মুক্ত আৰু দূৰৱৰ্তী পদ্ধতিৰে প্ৰশিক্ষণ দিয়ে। ইয়াত প্ৰশিক্ষণ ছপা সামগ্ৰীৰ সহায়ত মুখামুখিকৈ দিয়া হয় (Personal Contact Programme), তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা, দৃশ্য/শ্ৰৱণ কেছেট, ৰেডিঅ' আদিৰ জৰিয়তেও প্ৰশিক্ষণ দিয়া হয়।

NIOS-এ প্ৰাথমিক পৰ্যায়ত অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলক প্ৰশিক্ষণ দিবলৈ স্থিৰ কৰিছে। ডি.এল.এডৰ এই পাঠ্যক্ৰমটো NIOS-এ কিছুমান সংস্থাৰ জৰিয়তে উন্নত কৰিছে। এইটো হৈছে সৃষ্টিশীল আৰু প্ৰত্যাহ্বানমূলক পাঠ্যক্ৰম, যিয়ে দুবছৰৰ কাৰণে প্ৰাথমিক পৰ্যায়ৰ ৰাজ্যৰ বিভিন্ন অঞ্চলৰ অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলক ২০০৯ আঁচনি অনুযায়ী দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

NIOS-ৰ প্ৰাথমিক শিক্ষাৰ এই ডিপ্লমা পাঠ্যক্ৰমলৈ আপোনালোকক সম্ভাষণ জনাবলৈ পাই মই অতিশয় আনন্দিত হৈছো। আপোনাৰ নিজৰ ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ত আপোনাৰ বৰঙণিক মই প্ৰশংসা কৰিছো। RTE, ২০০৯ অনুসৰি সকলো বিদ্যালয়ৰ শিক্ষকেই প্ৰশিক্ষিত হোৱাটো বাধ্যতামূলক। মই বুজিব পাৰিছো যে অভিজ্ঞতাই আপোনাক যিখিনি দিছে তাৰ আলমত এজন ভাল শিক্ষক হোৱাৰ দক্ষতা আপোনাৰ আছে। কিন্তু নিয়মৰ দ্বাৰা এইটো বাধ্যতামূলক যে এই পাঠ্যক্ৰমটো সম্পূৰ্ণ কৰিবই লাগিব। মই নিশ্চিত যে আপোনাৰ জ্ঞান আৰু অভিজ্ঞতাই আপোনাক এই পাঠ্যক্ৰমত নিশ্চয়কৈ সহায় কৰিব।

মুক্ত আৰু দূৰৱৰ্তী শিক্ষাৰ অধীনত এই ডি.এল.এড পাঠ্যক্ৰমে আপোনাৰ দৈনন্দিন শিক্ষকতাৰ কামত কোনো বাধা নোহোৱাকৈ আপোনাক বৃত্তিগতভাৱে প্ৰশিক্ষণপ্ৰাপ্ত হোৱাত সহায় কৰিব।

আত্ম নিৰ্দেশনামূলক সামগ্ৰীসমূহে আপোনালোকৰ সৃষ্টিশীল বোধ তথা এজন ভাল শিক্ষক হোৱাত সহায় কৰাৰ উপৰিও আপোনালোকৰ চাকৰিৰ বাবে উন্নত গুণমানবিশিষ্ট হ'ব।

এই মহান যাত্ৰাত আপোনালোকলৈ শুভেচ্ছা থাকিল।

**অধ্যক্ষ (NIOS)**

# ব্লক ৩

# শ্ৰেণীকোঠাত ভাষা শিক্ষণ

**ব্লক গোট**

গোট ৭ ঃ সাহিত্য আৰু ভাষা।

গোট ৮ ঃ শ্ৰেণীকোঠা পটভূমিত ভাষা শিক্ষণ পদ্ধতি।

গোট ৯ ঃ শৈক্ষিক বস্তুসমূহ ঃ কিছু নতুন আকাৰ।

গোট ১০ ঃ মূল্যায়ন।

——o——

## ব্লক আৰম্ভণি

**গোট ৭ আৰু ৮,** ভাষাৰ ভাষিক গুণাগুণসমূহ শিকিব পাৰিব আৰু ভাষা আহৰণৰ উপাদানসমূহ আয়ত্ত কৰিব পাৰিব যিয়ে ল'ৰা-ছোৱালীৰ মনত সৃষ্টিশীল মনোভাব জগাই তুলিব পাৰে। ভাষা আহৰণত কবিতা, গল্প, নাটক আদিৰ ভূমিকা সম্পৰ্কে অৱগত হ'ব।

**গোট ৯,** শ্ৰেণীকোঠাত ভাষা শিক্ষণৰ বাবে শিক্ষণীয় সঁজুলিসমূহৰ বিষয়ে অৱগত হ'ব আৰু ভাষা শিক্ষণ পদ্ধতি কেনেকৈ ফলপ্ৰসু হ'ব তাৰ পৰিকল্পনা কৰিব পাৰিব।

**গোট ১০,** ইয়াত মূল্যায়ন সম্পৰ্কে আলোচনা কৰা হৈছে। আমি পৰম্পৰাগত ৰীতি অনুযায়ী মূল্যায়ন পদ্ধতি পৰীক্ষণ কৰিম আৰু ইয়াক কেনেকৈ আধুনিকৰণ কৰিব পাৰি তাৰ প্ৰতি দৃষ্টি ৰাখি মূল্যায়ন কৰা হ'ব।

# পাঠ্যসূচী


| ক্ৰ নং | গোট নাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | গোট ৭ ঃ সাহিত্য আৰু ভাষা | ১ |
| ২ | গোট ৮ ঃ শ্ৰেণীকোঠ্যা কাৰ্যত ভাষা শিক্ষণ পদ্ধতি | ২২ |
| ৩ | গোট ৯ ঃ শৈক্ষিক বস্তুসমূহ ঃ কিছু নতুন আকাৰ | |
| ৪ | গোট ১০ ঃ মূল্যায়ন | ৬৯ |

# অধ্যায় ৭ ঃ সাহিত্য আৰু ভাষা

**গাঁথনি ঃ**

৭.০ আৰম্ভণি

৭.১ শৈক্ষিক উদ্দেশ্য

৭.২ সাহিত্য সম্বন্ধীয় কৌশল

৭.৩ ভাষা শিক্ষণত সাহিত্যৰ ভূমিকা

৭.৩.১ সাহিত্য কি?

৭.৩.২ সাহিত্যৰ ৰূপ বা আকৃতি

৭.৩.৩ ভাষা শিক্ষণত সাহিত্যৰ প্ৰয়োগ ঃ (বুৰঞ্জীপ্ৰসিদ্ধ পৰিপ্ৰেক্ষা)

৭.৪ সাহিত্য শিক্ষণৰ উদ্দেশ্যসমূহ

৭.৪.১ শ্ৰেণীকোঠাৰ প্ৰকাৰ

৭.৪.২ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা (বা বিদেশী ভাষা) শ্ৰেণীকোঠা।

৭.৪.৩ সাহিত্যৰ জৰিয়তে বিভিন্ন ধৰণৰ কৌশল আয়ত্তকৰণ।

৭.৫ সাহিত্যৰ বিভিন্ন আকৃতি

৭.৫.১ প্ৰাথমিক পৰ্যায় আৰু উচ্চ পৰ্যায়ৰ শ্ৰেণীৰ অন্তৰ্ভুক্তিকৰণ আকৃতি।

৭.৫.২ শ্ৰেণীকোঠাত কেনেকৈ সাহিত্য সম্বন্ধীয় আকাৰ ব্যৱহাৰ কৰা হয়?

৭.৫.৩ শ্ৰেণীকোঠাত সন্মুখীন হোৱা সমস্যাসমূহ।

৭.৬ সংক্ষিপ্তকৰণ

৭.৭ পঠন আৰু প্ৰাসংগিকতা

৭.৮ গোট-শেষ অভ্যাস

## ৭.০ আৰম্ভণি ঃ

এইটো অধ্যায়ত আমি ভাষা শিকণত সাহিত্যৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিম। বেছি সংখ্যক বিদ্যালয়তে প্ৰাথমিক পৰ্যায়ত সাহিত্যক অন্য এটা বিষয় হিচাপে গুৰুত্ব দিয়া নাযায়। ই ভাষা বিষয়ৰ ভিতৰত সোমাই পৰে (হিন্দী, ইংৰাজী, সংস্কৃত ইত্যাদি) যদিও গল্প, কবিতা, ৰচনা আদি ৰহস্যজনক পাঠ্যপুথিতেই দেখা যায়, ভাষা আহৰণৰ কাৰণে তাৰ আশে-পাশে কিছুমান সংলাপ দেখিবলৈ পোৱা যায়। এইটো অধ্যায়ত আমি কিছুমান সন্নিবিষ্ট প্ৰশ্ন আলোচনা কৰিম যেনে— সাহিত্য কি, শিশু সাহিত্য কি? শ্ৰেণীকোঠাত ইয়াক কেনেকৈ ব্যৱহাৰ কৰা হয় আৰু ই কি উদ্দেশ্য পৰিপূৰ্ণ কৰিব?

## ৭.১ শৈক্ষিক উদ্দেশ্যাৱলী ঃ

এইটো অধ্যায় পঢ়াৰ পিছত—

- সাহিত্যৰ বিভিন্ন ৰূপ আৰু প্ৰকাৰ সম্পৰ্কে অৱগত হ’ব।
- ভাষা আহৰণত সাহিত্যৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰিবলৈ সক্ষম হ’ব।
- প্ৰাথমিক পৰ্যায়ত আৰু উচ্চ প্ৰাথমিক পৰ্যায়ত সাহিত্যৰ বাছনি সম্পৰ্কে নিজৰ যুক্তি উপস্থাপন কৰিব লাগিব।
- সাহিত্য শিক্ষণত আপোনাৰ নিজৰ সমস্যাসমূহ চিনাক্ত কৰিব পাৰিব।
- সাহিত্য শিক্ষণত শিক্ষকৰ ভূমিকা সম্পৰ্কে স্পষ্টভাৱে জানিব পাৰিব।

## ৭.২ সাহিত্যৰ কৌশল ঃ

সাহিত্য সাধাৰণভাৱে কোৱা ভাষাতকৈ কিছু বেলেগ। কাৰণ ইয়াত বিভিন্ন ধৰণৰ সৌন্দৰ্যশালী/কলাশীল সাহিত্য সোমাই থাকে যেনে— উপমা অলংকাৰ, ৰূপান্তৰ, সাদৃশ্য, অনুপ্ৰাস, স্বৰধ্বনি, ব্যঞ্জনধ্বনি, ছন্দ, সুৰ, সমান্তৰাল, সমাৰ্থ ইত্যাদি। সাহিত্য কৌশল সম্পৰ্কে তলত কিছু আগবঢ়োৱা হ’ল।

**(১) উপমা অলংকাৰ (Simile) ঃ** কিছুমান অপূৰ্ব গুণৰ ওপৰত দুটা বস্তুৰ মাজত ভিত্তি কৰি চাৰিত্ৰিক তুলনাকেই উপমা অলংকাৰ বোলা হয়। উপমা অলংকাৰৰ চাৰিটা উপাদান আছে, x আৰু y যাক ইটো-সিটোৰ লগত তুলনা কৰা হয় আৰু তুলনামূলক গুণৰ ওপৰত ভিত্তি কৰি z আৰু শেষত এটা উপাদান যিয়ে x, y, z-ৰ মাজত এটা সম্পৰ্ক স্থাপন কৰে। উদাহৰণ স্বৰূপে “তাইৰ মুখখন চন্দ্ৰৰ দৰেই

ধুনীয়া।” ইয়াত ‘তাইৰ মুখ’ হয় x, ‘চন্দ্ৰ’ হয় y আৰু ‘ধুনীয়া’ হয় z আৰু সংযোগ কৰা উপাদানটো হৈছে ‘দৰেই’।

**(২) ৰূপান্তৰ (Metaphor)** ঃ ইয়াৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে যদিও কোনো এটা বস্তুক ইটো সিটোৰ লগত তুলনা কৰা নহয়, ইয়াৰ কিছুমান গুণ বাছনি কৰা হয়। উদাহৰণস্বৰূপে—

(ক) উট মৰুভূমিত পোৱা যায়।

(খ) উট হ’ল মৰুভূমিৰ জাহাজ।

উদাহৰণ ‘ক’ত কোনো ৰূপান্তৰ পোৱা নগ’ল। কিন্তু ‘খ’ত পোৱা গৈছে। যেতিয়া আমি এটা উটৰ কথা ভাবো তেতিয়া সাধাৰণতে কোনো ধৰণৰ ‘জাহাজ’ বুলি মনলৈ নাহে। কিন্তু ‘উটক জাহাজ’ বুলি কোৱা হয়, যদিও অযুক্তিকৰ কিন্তু এইটোৱে ভাবিবলৈ বাধ্য কৰায় যে উটে মৰুভূমিত এখন জাহাজৰ সমানেই ভূমিকা পালন কৰে। সময়ৰ গতিত কিছুমান ৰূপান্তৰ এতিয়া নোহোৱা হৈছে। সেইবোৰ এতিয়া আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত ভাষাৰ অংশ হৈ পৰিছে। উদাহৰণ স্বৰূপে 'to take steps, to take stock', বা It's raining cats and dogs' etc.

কিছুমান মিশ্ৰিত ৰূপান্তৰে কিছু খেলিমেলি প্ৰতিচ্ছবি আনে। যেনে— "I smell a rat."

**(৩) অনুপ্ৰাস (Alliteration)** ঃ কবিতা বা গল্পত একেটা শাৰীতে থকা একে স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণৰ পুনৰাবৃত্তিক সূচায়। এটা সহজে বুজিব পৰা উদাহৰণ হ’ল— 'She Sells Seashells by the Seashore.' যদি এই পুনৰাবৃত্তি ব্যঞ্জনধ্বনিত হয় তেনেহ’লে ইয়াক ব্যঞ্জন ধ্বনি কোৱা হয়। হিন্দীত এটা উদাহৰণ হ’ল— “যোগী জংগল জাতে জাতে জংগ চে জাতা ৰহা।”

(৪) বক্ৰোক্তি (Irony) ঃ বৈপৰীত্য বা বক্ৰোক্তি মানে হ’ল যিয়ে সম্পূৰ্ণ বিপৰীত বুজায়। ই সাধাৰণতে পৰোক্ষভাৱে আন এজন ব্যক্তিক আঘাত কৰে বা হাঁহিয়াতৰ পাত্ৰ কৰি তোলে। উদাহৰণ স্বৰূপে— আপুনি আপোনাৰ গাড়ীচালক সদায় ‘তুমি’ সম্বোধন কৰি হঠাৎ ‘ছাৰ’ নহ’লে ‘মিঃ’ মাতিলে এটা ডাঙৰ ভুল বুলি ভাবে। বক্ৰোক্তিয়ে বক্তাজনে কোৱাৰ ওপৰত অন্য এটা অৰ্থ প্ৰকাশ কৰে।

(৫) **ইংগিত (Allusion)** ঃ ই কোনো এজন ব্যক্তি বা কোনো এটা বস্তুৰ ওপৰত পৰোক্ষ উল্লেখ প্ৰকাশ কৰে নহ’লে এক বিশেষ গুণৰ ওপৰত জোৰ দিয়ে। উদাহৰণস্বৰূপে “অমিত চৰ্দাৰ পেটেলৰ দৰে শক্তিশালী।’ ইয়াত চৰ্দাৰ পেটেল যে এজন শক্তিশালী নেতা তাৰেই ইংগিত বহন কৰিছে।

**(৬) অলংকাৰ (Hyberbole)** ঃ কেতিয়াবা কবি বা লিখকে কোনো এটা ঘটনাৰ বিশেষত্ব আনিবলৈ কিছুমান অতিৰঞ্জিত কৰে। অলংকাৰে অতিৰঞ্জিতক সূচায়। যেনে—“ঋষিজন পাহাৰৰ সমানেই বয়সীয়াল।”

**(৭) ছন্দ (Rhyme)** ঃ যেতিয়া বিভিন্ন শাৰীত একে স্বৰ পুনৰাবৃত্তি হয় তেতিয়া তাক এইটো সেইটোৰ ছন্দ বুলি কোৱা হয়। উদাহৰণস্বৰূপে শ্বেইক্সপীয়েৰৰ তলৰ কবিতাফাকি দেখুৱাব পাৰি—

Shall I Compare thee to a Summer's day?

Tnou art more lovely and more temperate.

Rough winds do shake the darling buds of May.

And Summer's lease hath all too short a date.

(Excerbt from Shakespeare's "Sonnet XVIII")

'Day' ছন্দমিল হৈছে 'May' আৰু 'temperate' হৈছে 'Date.'। তৃতীয় শাৰীটো প্ৰথম শাৰীৰ লগত আৰু দ্বিতীয় শাৰীটো চতুৰ্থ শাৰীৰ লগত মিল দেখা গৈছে।

**(৮) জীৱন্ত দৃষ্টান্ত (Personification)** ঃ কবি আৰু সাহিত্যিকসকলে প্ৰায়ে প্ৰকৃতি আৰু জন্তুৰ লগত মানুহক বিশেষ কিছুমান ৰূপ দিবলৈ চেষ্টা কৰে। কবিয়ে কয়, “বতাহজাক থিয় হৈছিল আৰু মোক সুধিছিল...” ইত্যাদি। ইয়াত বতাহজাকক এক জীৱন্ত দৃষ্টান্ত হিচাপে লোৱা হৈছে।

**(৯) প্ৰতীক (Symbols)** ঃ প্ৰতীকবোৰ সাধাৰণতে এটাৰ সলনি আন এটাত ব্যৱহাৰ হয়। ‘কপৌ’ বুলি ক’লে ‘শান্তি’ ধৰা হয়।

আমি আশা কৰো আপোনালোকে গল্প, কবিতা পঢ়ালে এনেকুৱা কিছুমান সাহিত্যৰ কৌশল আয়ত্ত কৰিব আৰু পঢুৱৈৰ ওপৰত প্ৰভাৱ পেলাব।

**অগ্ৰগতি খতিয়ান— ১**

(১) প্ৰতীক, উপমা অলংকাৰ, আৰু ৰূপান্তৰৰ মাজত পাৰ্থক্য কি?

________________________________________

________________________________________

________________________________________

(২) তলৰ কোনটো উপমা অলংকাৰ, কোনটো ৰূপান্তৰ আৰু কোনটো ইংগিত লিখা।

(ক) মোৰ ভালপোৱা গোলাপৰ নিচিনা।

(খ) তাইৰ হাঁহিটো মনালিছাৰ দৰে সুন্দৰ।

(গ) জীৱনটো এক যুদ্ধ।

(ঘ) সি প্ৰথম দুখন খেলত জিকিলে কিন্তু তৃতীয়খন খেলত পৰাস্ত হোৱাৰ প্ৰমাণ দিলে।

(ঙ) সিহঁতৰ মাতৃ শক্তিৰ খুঁটা।

(চ) তাই খুঁটাৰ নিচিনা স্থিতিশীল।

(ছ) তাই গণিতত ভাল কিন্তু ভাষা আছিল তাইৰ সমুলি নেৰানেপেৰা।

(৩) আপুনি পঢ়া কবিতাটোৰ পৰা কেইটামান জীৱন্ত দৃষ্টান্ত প্ৰস্তুত কৰক।

________________________________________________

________________________________________________

________________________________________________

(৪) আপুনি পঢ়া ইংৰাজী/হিন্দী কবিতাটোৰ পৰা ছন্দ আঁচনি প্ৰস্তুত কৰক।

———————————————————————

———————————————————————

———————————————————————

(৫) শক্তিশালী আৰু সৰু জৰী স্বৰ প্ৰদৰ্শনকাৰী। ক'লা আৰু চিন্তাও একে। তিনিটাতকৈ বেছি উদাহৰণ দিয়ক।

———————————————————————————

———————————————————————————

———————————————————————————

(৬) 'হ্রদ' আৰু 'শকত' মিলিত প্ৰদৰ্শনকাৰী। তেনেকুৱা কেইটামান শাব্দিক যোৰা প্ৰস্তুত কৰক।

(৭) শুদ্ধটো বাছনি কৰক ঃ 'আপুনি নীলা ভাল পায় নে?' এইটো এটা স্বৰ বা অনুপ্ৰাসৰ উদাহৰণ।

**৭.৩ ভাষা শিক্ষণত সাহিত্যৰ ভূমিকা ঃ**

**সাহিত্য কি?**

সাধাৰণতে সাহিত্যৰ অৰ্থ হৈছে শব্দৰ অৰ্থ প্ৰকাশ কিন্তু শব্দ আৰু অৰ্থৰ সমন্বয় দেখা পোৱা বিষয়বোৰ যেনে— বুৰঞ্জী, ভূ-তত্ত্ব, বিজ্ঞান ইত্যাদি। এইটোৰ অৰ্থ হৈছে প্ৰত্যেক বিষয়ৰে একোটা নিজস্ব সাহিত্য আছে যিয়ে বিষয়টো কি সম্পূৰ্ণৰূপে বৰ্ণনা কৰে। উদাহৰণ স্বৰূপে— ৰন্ধনৰ এক নিজস্ব সাহিত্য আছে যিয়ে বিশেষ এক ব্যঞ্জন বনোৱাত সহায় কৰে। অন্যহাতে আমি ক'ব পাৰো যে সাহিত্যই সম্পূৰ্ণৰূপে এক বিশেষ তথ্য যোগানত সহায় কৰে। আমি মন দিয়া দৰকাৰ যে অন্য লিখনিতকৈ সাহিত্যৰ ভাষা পৃথক আৰু স্পষ্ট। এইটো ফালৰ পৰা শব্দ আৰু অৰ্থৰ সম্পৰ্ক চিধা আৰু সৰল নহয়। ই কলাপ্ৰসু। যিকোনো ভাষাৰ সাহিত্যই হৈছে এখন সমাজৰ দাপোণ। ই বাস্তৱবাদী আৰু প্ৰতীকাত্মক ছবি এখন দিয়ে। বিভিন্ন সময়ত বসবাস কৰা মানুহৰ সময় আৰু ঠাই বিশেষে সৌন্দৰ্য অনুভূত কৰে। ই সাৰ্বজনীন মানুহৰ মূল্যবোধক জগাই তোলে। সেইবাবে যিকোনো সাহিত্যৰ প্ৰকাৰত, কবিতা, উপন্যাস, নাটক আদিৰ সামাজিক, সৌন্দৰ্য আৰু সাৰ্বজনীন আয়তন থকা উচিত। সামাজিক দিশটো প্ৰতিফলিত হয় বিভিন্ন ধৰণৰ উৎসৱ আৰু প্ৰথাসমূহ ধৰি ৰখাত, সৌন্দৰ্যৰ আয়তনে আৱেগক অনুভূত কৰে আৰু পঢ়ুৱৈৰ মাজত উচ্চাৰণৰ বাছনি, শব্দ আৰু ৰচনাৰ গাঁঠনি ব্যৱহৃত হয়। সাৰ্বজনীন আয়তনে মানুহৰ সত্যৰ মূল্য আৰু সৌন্দৰ্য প্ৰতিফলিত কৰি সকলো সময়তে মানুহৰ সৈতে বৰ্তি থাকে।

এইদৰে সকলো প্ৰকাৰৰ সাহিত্যক তিনিটা ভাগত ভাগ কৰিব পাৰি।

**(১) তথ্যসমৃদ্ধ সাহিত্য (Informative literature) ঃ** এইটো বিভাগত প্ৰাসংগিক কিতাপসমূহ

যেনে— বিশ্বকোষ, অভিধান, থিচউৰাচ, উচ্চাৰণৰ অভিধানসমূহ, অন্যান্য প্ৰাসংগিক পাঠ্যপুথিসমূহ ইত্যাদি যিয়ে আমি নজনা বস্তুসমূহৰ ওপৰত তথ্য যোগান ধৰে। এইবোৰ অত্যন্ত দৰকাৰী কিন্তু সঁচা অৰ্থত শব্দৰ কোনো সাহিত্য গঠন কৰিব নোৱাৰে য'ত সৌন্দৰ্য আৰু সাৰ্বজনীন আয়তনৰ পৰা সঁচা লিখনিসমূহ হেৰাই গৈছে।

**(২) জটিল সাহিত্য (Critical literature)** ঃ এইটো বিভাগত এটা বিশেষ বিষয় তাৰ্কিকভাৱে স্পষ্ট কৰা হয় আৰু ই সাধাৰণতে বস্তুবাদী প্ৰকৃতিৰ কাৰণ আৰু কাৰ্যৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। এই ৰচনাই পঢ়ুৱৈক যথেষ্টভাৱে উৎসাহিত কৰাত সহায় কৰে। উদাহৰণ স্বৰূপে দাৰ্শনিক কিতাপসমূহ, বিজ্ঞান আৰু গণিত।

এই দুই প্ৰকাৰৰ সাহিত্যিক অ-সৌন্দৰ্যশীল সাহিত্য বুলিও ক'ব পাৰি। ইয়াত বেছিকৈ তথ্য, ঘটনা সমৰণ, আৰু যিকোনো সমস্যাৰ সমাধানক গুৰুত্ব দিয়া হয়। তথ্য এটা শ্ৰেণী আছে যাক প্ৰকৃত সাহিত্য বুলি কোৱা হয়।

**(৩) সৃষ্টিমূলক বা কল্পনাপ্ৰসূত সাহিত্য (Creative or Imaginative literature)** ঃ এইটো শ্ৰেণীৰ ভিতৰত কবিতা, নাটক, উপন্যাস, মহাকাব্য, চুটিগল্প ইত্যাদিৰ কাম আনন্দ মনেৰে নিজকে নিয়োগ কৰি নিজৰ ইচ্ছা প্ৰকাশ কৰিব পাৰি। তেওঁলোকে পঢ়ুৱৈক অভিজ্ঞতালব্ধ এক অনুভূতিক চাৰিত্ৰিক অংকনৰ ক্ষেত্ৰত সুবিধা দিয়ে। ই মানৱীয় উন্নতিত আৰু সৃষ্টিমূলক যোগ্যতাত সহায় কৰে।

এইটো গোটত আমি ভাষা শিক্ষণত বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ ব্যৱহাৰ আৰু বৰঙণিৰ বিষয়ে আলোচনা কৰিম। এজন ভাষা শিক্ষক হিচাপে যদিও শিক্ষণ প্ৰথম ভাষা বা দ্বিতীয়, সাহিত্যৰ ক্ষেত্ৰত পাঠ্যপুথি হৈছে প্ৰধান উৎস। সময় আৰু সম্পদৰ কাৰণে বিদ্যালয়ে সীমিত সংখ্যক পাঠ্যপুতিৰহে ব্যৱস্থা কৰিব পাৰে। সেয়েহে এজন শিক্ষকে পাঠ্যপুথিৰ উপৰিও ল'ৰা-ছোৱালীৰ কাৰণে কিছুমান বাছনিমূলক সাহিত্যৰ ব্যৱস্থা কৰিব লাগে। সাহিত্য নিৰ্বাচনৰ কাৰণে কিছুমান নিৰ্দেশনা এনেকুৱা ধৰণৰ—

- কিছুমান প্ৰয়োজনীয় দৈৰ্ঘ্যৰ লিখনি হ'ব লাগে য'ত ভাষা সাৱধানেৰে ব্যৱহাৰ হয়। এইবোৰ ভাষাৰ লক্ষণ (Metaphor), অভিযোজনা (Innovative)তকৈও উচ্চ খাপৰ হ'ব পাৰে।
- লিখনিটোৱে উল্লেখ কৰা সাহিত্যৰ যিকোনো এটা ৰূপ ল'ব পাৰে ঃ গল্প, কবিতা, নাটক, উপন্যাস ইত্যাদি।
- ই ল'ৰা-ছোৱালীৰ মাজত আনন্দ আৰু সৌন্দৰ্য অভিজ্ঞতা প্ৰদান কৰা উচিত।

এইবোৰ নিৰ্ণায়ক অনুসৰণৰ কোনো স্থিৰতাৰ প্ৰয়োজন নাই। এইটোৰ অৰ্থ হৈছে এটা লিখনি সাহিত্যৰ গুণাগুণ লাভ কৰিছে নে নাই শিক্ষকক সেই বিষয়ে সহায় কৰা। কিন্তু আনকি যেতিয়া আমি সাহিত্যৰ সকলো গুণাগুণ জানো, তেতিয়া আমি সিদ্ধান্ত লোৱা প্ৰয়োজন যে শ্ৰেণীকোঠাৰ কাৰণে কোনটো আমাৰ প্ৰয়োজন। ডাঙৰ বিবেচনাৰ বিষয় হৈছে ছাত্ৰ-ছাত্ৰীৰ বয়স। আমি ল'ৰা-ছোৱালীৰ বাবে উপযুক্ত লিখনি ল'ৰা-ছোৱালীৰ সাহিত্য বুলি ব্যৱহাৰ কৰিব লাগে।

ল'ৰা-ছোৱালীৰ সাহিত্যৰ বিভিন্ন উদাহৰণত মুখ্য আকৰ্ষণৰ কেন্দ্ৰবিন্দু শিশু হ'ব লাগে। পৰীৰ

সাধুকথাবোৰত শিশুৰেই হৈছে মূল কেন্দ্ৰবিন্দু। (যেনে— Little Red Riding Hood বা উপন্যাস Kidnapped and Treasure Island by R.L. Stevenson)। কিন্তু আমি এটা গল্প সহজভাৱে বাছনি কৰিব নোৱাৰো কাৰণ মুখ্য চৰিত্ৰটোৱে হৈছে শিশু। আচলতে, কিছুমান এনেকুৱা গল্পৰ উদাহৰণ আছে য'ত নায়কজন শিশু হ'লেও তাৰ গভীৰতা জটিল। কিছুমান এনেকুৱা চিন্তাধাৰাৰে প্ৰস্তুত কৰা হৈছে যেনে— কিছুমান এনেকুৱা চিন্তাধাৰাৰে প্ৰস্তুত কৰা হৈছে যেনে— প্ৰেম ছান্দৰ "Idgan", জয়শংকৰ প্ৰসাদৰ "Chota Jadugar", জিতেন্দ্ৰৰ "Khel" ইত্যাদি শিশুৰ বাবে বুজি পোৱাটো অতি কঠিন। ভাষা আৰু ধাৰণা শিশুৱে বুজি পোৱাকৈ সহজ-সৰল হ'ব লাগে।

এইটো অধ্যায়ত আমি ভাষা শিকোৱাত সাহিত্যৰ ভূমিকা সম্পৰ্কে উল্লেখ কৰিছো। যদিও কিছুমান ছপা সামগ্ৰী যেনে— বিজ্ঞাপন, কাৰ্টুন আদি সাহিত্য নহয়, তথাপিও ভাষা শিকোৱাৰ ক্ষেত্ৰত ই সহায়ক হ'ব পাৰে।

**অগ্ৰগতি খতিয়ান— ২**

(১) সৌন্দৰ্যশীল সাহিত্য আৰু অসৌন্দৰ্যশীল সাহিত্যৰ মাজত পাৰ্থক্য লিখা।

________________________________________

________________________________________

________________________________________

(২) এতিয়ালৈ আলোচনা কৰাৰ ভিত্তিত আপুনি কেনেকৈ শিশু সাহিত্যৰ সংজ্ঞা দিব? ৬-১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ উপযোগী সাহিত্যৰ বিৰৰণ দিব পাৰিবনে?

________________________________________

________________________________________

________________________________________

(৩) সকলো সাধুকথা শিশু আৰু শিশু সাহিত্যৰ ওপৰত নে? আপোনাৰ উত্তৰৰ সমৰ্থ জনাই উদাহৰণ দিয়ক।

________________________________________

________________________________________

________________________________________

(৪) তলৰ উদাহৰণবোৰ সাহিত্যৰ হয়নে চিন্তা কৰি বাছনি কৰক।

(ক) বাতৰিকাকত বিজ্ঞাপন (খ) অভিধান (গ) কেকৰ কাৰণে ৰন্ধন প্ৰণালী (ঘ) কবিতা।

**৭.৩.২ সাহিত্যৰ ৰূপ বা আকাৰ ঃ**

শ্ৰেণীকোঠাত বিভিন্ন ধৰণৰ সাহিত্য যেনে— কবিতা, গল্প, নাটক, আত্মজীৱনী, জীৱনী,

উপন্যাস, ৰচনা আদি লিখনি সামগ্ৰীসমূহ সামাজিক, সাংস্কৃতিক আৰু সৌন্দৰ্যৰ পটভূমিত ল'ৰা-ছোৱালীৰ জীৱনৰ এটা অংশ হিচাপে ধৰা হয়। ইয়াত কোনো সন্দেহ নাই যে বিভিন্ন ধৰণৰ সাহিত্যৰ প্ৰকাশে পাৰদৰ্শিতাৰ স্তৰ উন্নত কৰে।

**নাটক (Play) ঃ** নাটক হৈছে বিভিন্ন ধৰণৰ ঘটনাৰ ওপৰত কৰা অভিনয়, কেতিয়াবা মহান ব্যক্তিৰ লগত জড়িত হয়। নাটক ৰচনা কৰাটো বিশেষভাৱে কঠিন। নাট্যকাৰজনে পঢ়ুৱৈ বা দেখোতাসকলৰ দৃষ্টিভংগী বুজি বিভিন্ন ধৰণৰ চৰিত্ৰসমূহ ৰূপায়ণ কৰিব লগা হয় আৰু দেখাত প্ৰমাণিক হোৱাটোত গুৰুত্ব দিব লগা হয়। সকলো নাটকৰে এটা আৰম্ভণি, এটা মধ্য আৰু এটা শেষ থাকে। তেওঁলোকে হয়তো দুখৰ নহ'লে ধেমালিৰ নহ'লে সুখ-দুখৰ লিখিব লাগে আৰু নহ'লে হয়তো কবিতা বা গল্প দুয়োটা লিখিব লাগে। উদাহৰণ স্বৰূপে—

শ্বেইক্সপীয়েৰৰ মহান নাটক হেমলেট আৰু কিং লিয়েৰ তেওঁৰ কাব্যিক ৰচনা। বিভিন্ন ধৰণৰ চৰিত্ৰত ৰূপদান কৰা বা অভিনয় কৰাবোৰক অভিনেতা বোলে। নাটকৰ প্ৰকৃত কৃতকাৰ্যতা মঞ্চ প্ৰদৰ্শনৰ দ্বাৰাহে প্ৰকাশ পায়। নাটকত বিভিন্ন চৰিত্ৰসমূহ সংলাপৰ জৰিয়তে প্ৰকাশ পায়, চৰিত্ৰই নিজে নিজে স্বগতোক্তি প্ৰকাশ কৰে।

**একাংগিকা নাটক (One Act Play) ঃ** ইয়াত নাটকৰ গোটেই কাৰ্য সময় আৰু ঠাই বিশেষে হয়। নাটকখন চুটি আৰু এটি শীৰ্ষবিন্দুৰে গঠিত হয়। এনেকুৱা নাটক বিশেষকৈ শিক্ষকৰ বাবে প্ৰয়োজন কাৰণ এইবোৰ সহজতে মঞ্চস্থ কৰিব পাৰি আৰু পূৰ্ণ দৈৰ্ঘৰ নাটকতকৈ চুটি হোৱা বাবে বেছি দৃশ্যসজ্জাৰ প্ৰয়োজন নাই। ল'ৰা-ছোৱালীক এনেকুৱা নাটক লিখিবলৈ আৰু অভ্যাসৰ বাবে অভিনয় কৰিবলৈ উৎসাহ যোগাব লাগে।

**উপন্যাস ঃ** উপন্যাস হৈছে বিভিন্ন চৰিত্ৰৰ কিছুমান দীঘলীয়া গল্প। ই সাধাৰণতে লিখোতে বাস্তৱ জীৱনৰ ছবি, ঠাই আৰু সময় নিৰ্ধাৰণ কৰে। বিখ্যাত কেইজনমান ইংৰাজী ঔপন্যাসিক হ'ল— Fielding, Dickens, Hardy, Meredith, Joyee ইত্যাদি। এইবোৰ লিখকে মানৱ জীৱনৰ প্ৰকৃত ছবি অংকন কৰি পঢ়ুৱৈৰ মন আকৰ্ষণ কৰিছিল।

**গল্প (Story) ঃ** সাহিত্যৰ বিখ্যাত আকাৰ হ'ল চুটি গল্প আৰু সাধাৰণতে বিদ্যালয়ৰ পাঠ্যপুথিত ইয়াক সন্নিবিষ্ট কৰা হয়। ই একক বৰ্ণনাৰে গঠিত য'ত একাষৰীয়াকৈ পঢ়িব পাৰি আৰু পঢ়ুৱৈক প্ৰভাৱান্বিত কৰিব পাৰে। মূল ঘটনাটোক প্ৰত্যক্ষভাৱে বৰঙণি যোগাব নোৱাৰা সকলো বস্তু বা সকলো চৰিত্ৰ বাহিৰ হৈ যায়। চুটি গল্প সকলো ধৰণৰ গাঠনিমূলক চৰিত্ৰৰে পৰিপূৰ্ণ। চুটি গল্প লিখা কেইজনমান লিখকৰ নাম Somerset Maugham, Anton Chekov, Saki, Edgar Allen Poe, R K Narayan, K B Vaid আদি। ল'ৰা-ছোৱালীৰ মাজত চুটি গল্পৰ নায়ক হিচাপে Ruskin Bond-ৰ নাম উল্লেখযোগ্য। O. Henry ৰ 'The last leaf' আৰু 'The gift of the Magi' আদি বিখ্যাত গল্প সম্ভাৰ।

**ৰচনা (Essay) ঃ** ৰচনা হৈছে গল্পৰ ৰূপ য'ত চিন্তাসমূহ যুক্তি আকাৰে আৰু সংযুক্ত আকাৰে প্ৰকাশ কৰা হয়। ৰচনা লিখাৰ কাৰণে বিষয়বস্তুৰ জ্ঞান থাকিব লাগে। ৰচনাৰ কাৰণে দৰকাৰী বৈশিষ্ট্য হৈছে সংক্ষিপ্ততা, স্পষ্টপ্ৰকাশভংগী আৰু উপযুক্ত উদাহৰণ। কিছুমান বিখ্যাত গল্প লেখক যেনে— Charles Lamb, Addison, R K Narayan, Nehru, Gandhi, Ruskin Bond আদিৰ ৰচনা

উল্লেখযোগ্য। এইবোৰ পঢ়ি যথেষ্ট আনন্দ পোৱা যায় আৰু নতুন ধাৰণা ল'ব পাৰি।

**আত্মজীৱনী (Autobiography)** ঃ যেতিয়া এজন ব্যক্তিয়ে নিজৰ জীৱনৰ ওপৰত লিখে, তাকে আত্মজীৱনী বোলে। আত্মজীৱনীৰ নায়কজন লিখকজন নিজেই। তেওঁৰ জীৱনৰ ওপৰত ঘটা প্ৰত্যেকটো ঘটনা যেনে— সংঘাত, সুখ, দুখ আত্মজীৱনীত সন্নিবিষ্ট কৰা হয়। সকলোতকৈ বিখ্যাত আত্মজীৱনী হ'ল মহাত্মা গান্ধীৰ "My Experiment with truth".

**জীৱনী (Biography)** ঃ জীৱনী লিখাৰ ক্ষেত্ৰত লিখকজন বেলেগ হয়। ডঃ জনছন (Dr. Johnson)ক প্ৰথম বছওৱেলৰ জীৱনী বুলি সাহিত্যৰ ৰূপ হিচাপে বিবেচনা কৰা হয়।

**ভ্ৰমণ কাহিনীভিত্তিক বক্তৃতা বা চলচ্চিত্ৰ (Travelogue)** ঃ যেতিয়া এজন মানুহে নিজৰ ভ্ৰমণৰ ওপৰত লিখে তেতিয়া তাক ভ্ৰমণ সাহিত্য বা ভ্ৰমণ সঞ্চয় বোলে। তেওঁ ভ্ৰমণৰ সময়ত ঘটা বিভিন্ন ঘটনা যেনে ঠাই, দৃশ্যপট আদিৰ অভিজ্ঞতা সুন্দৰকৈ সংলগ্ন কৰা হয়। হিন্দী লিখক Ageya হৈছে ভ্ৰমণ কাহিনীৰ বিখ্যাত লেখক আৰু তেওঁলোকক প্ৰকৃতি আৰু মানুহৰ বন্ধু বুলি জনা যায়।

**ৰূপৰেখা/অংকন (Sketch)** ঃ যেতিয়া এজন লিখকে এজন ব্যক্তি, বস্তু, ঠাই, ঘটনা দৃশ্যপট আদিৰ ওপৰত লিখে তেতিয়া এজন পঢ়ুৱৈয়ে সেই ব্যক্তি বা বস্তুৰ ওপৰত এখন ছবি অংকন কৰা হয়। সঁচা অংকনক সাধাৰণতে এক লক্ষ্য বা উদ্দেশ্য বুলি জনা যায়।

**স্মৃতিচাৰণমূলক লেখা** (Memoir) ঃ যেতিয়া এজন লিখকে তেওঁৰ জীৱনত ঘটা বা বেলেগৰ জীৱনত ঘটা যিকোনো এটা ঘটনা বা দৃশ্যপট অংকন কৰে তাকে স্মৃতিচাৰণমূলক লেখা বোলে। এই লেখা স্মৃতিৰ ওপৰত ভিত্তি কৰি লিখা হয়। স্মৃতিচাৰণমূলক লেখাত এজন ব্যক্তিৰ ব্যক্তিত্ব বা ঘটনা বৰ্ণনা কৰা হয়। স্মৃতিচাৰণমূলক লেখা সদায় অতীতত হয়, বৰ্তমান বা ভৱিষ্যতত নহয়। নিজৰ চিন্তা আৰু সৃষ্টিৰে লিখকে ইয়াত একো সন্নিবিষ্ট কৰিব নোৱাৰে।

**কবিতা (Poem)** ঃ সাহিত্যৰ জগতত কবিতাক এক সুগন্ধি বুলি ধৰা হয়। সাহিত্যৰ প্ৰথম ৰূপ হৈছে কবিতা। সকলো সমাজৰে মহান কাব্যিক হৈছে কবিতা। মহাভাৰত, ৰসায়ন, ইলিয়াদ বা ওডিচি আদি পুৰণি সমাজৰ কাব্যিক পুথি। মহান কিছুমান কবি যেনে— কালিদাস, ভট্ট, শ্বেইক্সপীয়েৰ, ড'নে, শ্যেলী, কিটচ, বাইৰন, ইলিয়ট, ইয়েট, ওৰ্দওৱৰ্থ (Wordsworth) আদিৰ নাম উল্লেখযোগ্য। কবিতা সদায় ছন্দময় আৰু অবোধগম্য আৰু ই উপমা অলংকাৰ, ৰূপান্তৰ আৰু জীৱন্ত দৃশ্যান্ত বহন কৰে। উপন্যাস, ৰচনা বা গল্পতকৈ কবিতাত কিছু শব্দৰ ভিতৰতে চিন্তা আৰু আৱেগ প্ৰকাশ কৰা হয়। আলোচনাৰ বিষয়বস্তু ই মুকলিমুৰীয়াকৈ আৰু বিভিন্ন বস্তুৰ সমাহাৰ মুকলিমুৰীয়াকৈ কৰিব পাৰি। কবিতা সদায় ছন্দোবদ্ধ আঁচনিৰ ভিত্তিত বা মুকলিমুৰীয়াকৈ লিখা হয়। সাহিত্যৰ সকলো ৰূপতকৈ কবিতা অনুবাদ কৰা সকলোতকৈ টান।

এনেকুৱা ধৰণৰ সাহিত্যৰ লগত পৰিচয় কৰি দিয়াৰ মুখ্য উদ্দেশ্যটো হ'ল শ্ৰেণীকোঠাৰ ভিতৰত ল'ৰা-ছোৱালীক ভাষা শিকোৱাৰ ক্ষেত্ৰত যাতে সঠিক শিক্ষণ সামগ্ৰী ব্যৱহাৰ হয়। আমি এইটো আশা কৰা উচিত নহয় যে ল'ৰা-ছোৱালীয়ে সাহিত্যৰ এই ৰূপসমূহ লক্ষ্য হিচাপে লৈছে, আমি এইটো আশা কৰা উচিত যে তেওঁলোকে এই লক্ষ্যসমূহ বিভিন্ন ধৰণে আহৰণ কৰাৰ যোগ্যতা অৰ্জন কৰিছে।

তেওঁলোকে সূচী আহৰণত সংবেদনশীল হোৱাতকৈ শব্দ-সম্ভাৰ, জঁতুৱা ঠাঁচ, বাক্যাংশ আৰু শব্দ গাঁথনিৰ ব্যৱহাৰ আদি ভালকৈ জানিব লাগে।

**অগ্ৰগতি খতিয়ান— ৩**

(১) গদ্য অন্তৰ্ভুক্ত নহয়—

(ক) খেল (খ) উপন্যাস (গ) কবিতা (ঘ) গল্প

(২) আত্মজীৱনী আৰু জীৱনীৰ মাজত পাৰ্থক্য কি?

———————————————————————————

———————————————————————————

———————————————————————————

(৩) কবিতাৰ সম্পদ কি?

———————————————————————————

———————————————————————————

———————————————————————————

(৪) কিছুমান বিখ্যাত চুটিগল্প লিখকৰ নাম লিখক।

———————————————————————————

———————————————————————————

———————————————————————————

(৫) আপোনাৰ প্ৰিয় কবিতাটোৰ কেইটামান শাৰী লিখক। কবিতাটোৰ লিখক কোন? এই শাৰীবোৰৰ অৰ্থ কি?

(৬) বিখ্যাত কেইজনমান চুটিগল্প লিখকৰ নাম লিখক। আপুনি ভালপোৱা কিবা চিনেমা আছেনে? চিনেমাখনৰ গল্পটোৰ লিখক কোন?

——————————————————————————

——————————————————————————

————————————————————————

**৭.৩.৩ ভাষা শিক্ষণত সাহিত্যৰ ব্যৱহাৰ ঃ বুৰঞ্জীমূলক পৰিপ্ৰেক্ষা ঃ**

বিংশ শতিকাৰ চাৰি দশকৰ আগতে সাহিত্যক ভাষা শিক্ষণৰ প্ৰধান আহিলা হিচাপে ধৰা হৈছিল। আৰু এইটো বুজা যায় যে যিকোনো এটা বিদেশী ভাষা শিকিবলৈ সাহিত্যৰ গভীৰতা অধ্যয়ন কৰিব লাগিব। কিন্তু ১৯৪০ৰ পৰা ১৯৫০ৰ দশকত সাহিত্যৰ ক্ষেত্ৰত বিদেশী ভাষা শিকিব দিয়া নাছিল, কাৰণ ই পাঠভিত্তিকভাৱে বা প্ৰয়োজনভিত্তিক আৰ্হি হিচাপে প্ৰতিষ্ঠিত হৈছিল। সেই সময়ৰ ভিতৰত সাহিত্যক

প্ৰধানকৈ নিম্ন শ্ৰেণীৰ প্ৰয়োজন হিচাপে আৰু অপ্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছিল। পৰম্পৰাগতবাৰে ভাষা শিক্ষণক ব্যাকৰণ শিক্ষণলৈ পৰিবৰ্তিত কৰা হৈছিল। পাঠ্যপুথি বা অধ্যয়ন সামগ্ৰীয়ে সদায় ব্যাকৰণৰ নিয়মসমূহ অনুসৰণ কৰিব নোৱাৰে আৰু পাঠ্যপুথি এখনত প্ৰজ্ঞাত্মক স্তৰ আৰু ভাষাৰ যোগ্যতা কিমান আছে তাক বিবেচনা কৰা টান। ব্যাকৰণ অনুবাদ পদ্ধতি (Grammar translation method) যিয়ে পুনৰ শিক্ষা বিশেষৰ ওপৰত নিৰ্ভৰ কৰে আৰু ক্ৰিয়া প্ৰদৰ্শন আৰু লিখনি অনুবাদৰ পৰা ভাষা L1 লৈ পৰিবৰ্তিত হৈ উল্টা-পুল্টাকৈ বহু সময় ধৰি বিস্তৃতভাৱে ব্যৱহাৰ হৈ আহিছে। ১৯৭০-৮০ দশকটোত প্ৰজ্ঞানত্মক ভাষা শিক্ষণ পদ্ধতিটোৰ জন্ম হৈছিল য'ত ধাৰণা কৰা হৈছিল যে ল'ৰা-ছোৱালীয়ে স্কুললৈ স্বাভাৱিক ভাষা লৈ আহে আৰু প্ৰজ্ঞাত্মক যোগ্যতা আৰু অধিক মনোগ্ৰাহী কৰাৰ বাবে শিক্ষকে ভাষা শিকোৱাত যথেষ্ট প্ৰত্যাহ্বান গ্ৰহণ কৰিবলগীয়া হয়। ইয়াৰ মূল কাৰণটো হৈছে সাহিত্যৰ ব্যৱহাৰে ভাষা শিক্ষণত যথেষ্ট গুৰুত্ব আৰোপ কৰে।

উইদোচন (Widdowson)ৰ মতে, ভাষা বিজ্ঞানৰ জ্ঞান দুটা স্তৰত হয় মূল্যৰ স্তৰ আৰু প্ৰয়োগ বিধিৰ স্তৰ। 'মূল্য'ৰ স্তৰত জ্ঞানৰ নিয়মসমূহ অন্তৰ্ভুক্ত হৈছে য'ত 'প্ৰয়োগ বিধি' স্তৰত যোগাযোগৰ ক্ষেত্ৰত এই নিয়মসমূহ কেনেকৈ প্ৰয়োগ কৰা হয় তাৰ তথ্য দিয়ে। বৰ্তমান সাহিত্যৰ বহুতো লিখনিয়ে কেৱল মাত্ৰ ভাষাৰ মূল্যৰ ওপৰত গুৰুত্ব দি আহিছে। প'ভ (Pove)ৰ (১৯৭২, ১৮) যুক্তি হ'ল — "Literature would increase all the skills of language because literature increases language–Science related knowledge."

এইদৰে বিংশ শতিকাৰ শেষলৈকে সাহিত্য আকৌ প্ৰতিষ্ঠিত হৈছিল লগতে ভাষা শিক্ষণৰ উৎসসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তাৰ প্ৰমাণ স্বৰূপে বৰ্তমান সময়ত ল'ৰা-ছোৱালীৰ কাৰণে বৰ্ণমালা শিকাবলৈ পুনৰাবৃত্তি কৰাতকৈ বিভিন্ন ধৰণৰ গল্প, কবিতা আদিৰ জৰিয়তে শিকোৱা দেখা যায়।

**অগ্ৰগতি খতিয়ান— ৪**

(১) পৰাম্পৰাগতভাৱে ভাষা শিক্ষাৰ প্ৰধান ভেটিটো হ'ল—

(ক) অৰ্থ শিক্ষা (খ) বাক্য শিক্ষা (গ) ব্যাকৰণ শিক্ষা (ঘ) শব্দ, ধ্বনি শিক্ষা।

(২) বিংশ শতিকাৰ শেষত ভাষা শিক্ষাত সাহিত্যৰ প্ৰয়োগ বিধিৰ ওপৰত আলোকপাত কৰক।

——————————————————————————

——————————————————————————

——————————————————————————

(৩) ভাষা শিক্ষাত ব্যাকৰণ অনুবাদ পদ্ধতি ৰ মূল নীতিসমূহ লিখক।

——————————————————————————

——————————————————————————

——————————————————————————

### ৭.৪ সাহিত্য শিক্ষাৰ উদ্দেশ্যসমূহ ঃ

সাহিত্য শ্ৰেণীত সৰহ সংখ্যক ৰূপ তুলি ধৰা হয়। সাহিত্য শিক্ষাৰ উদ্দেশ্য আৰু প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ উদ্দেশ্য নিৰ্ভৰ কৰে শ্ৰেণীকোঠাত পৰিবেশন কৰা শিক্ষাৰ ওপৰত।

**(১) ভাষা ৰূপ বা আকৃতি (Language Formate) ঃ** এনেকুৱা আকৃতিত ভাষা সাধাৰণতে শব্দৰ ভঁৰাল আৰু বাক্য গাঁঠনিৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াৰ প্ৰধান অন্তৰায় হৈছে ইয়াত সাহিত্যৰ প্ৰতি আগ্ৰহ নাইকিয়া হয়। আনকি ল'ৰা-ছোৱালীয়ে শেষলৈকে কোনো ব্যাকৰণ বা শব্দভাণ্ডাৰ বৃদ্ধিৰ ক্ষেত্ৰত মনোযোগ প্ৰকাশ নকৰে।

**(২) সাহিত্য সম্বন্ধীয়া ৰূপ বা আকৃতি (Literary Format) ঃ** ইয়াত সূচী আৰু বিমূৰ্ত ধাৰণাৰ ওপৰত সাহিত্য শোষিত শ্ৰেণীক প্ৰকাশ কৰা হয়। ইয়াৰ বিশেষ উদ্দেশ্য হৈছে সাৰ্বজনীন মানৱীয় মূল্য আৰু সংস্কৃতিক বিকশিত কৰা। এইটো নিশ্চিত যে নিজস্ব ভাষাক উন্নত কৰাটো গ্ৰহণযোগ্য য'ত ব্যাকৰণৰ ৰূপ, প্ৰয়োগ বিধি, জোখ আৰু বাক্যৰ গাঁঠনি কম সংখ্যক বিকশিত হয়। এই ক্ষেত্ৰত $L_1$ মূল কথা নহয় কিন্তু $L_2$ ৰ ক্ষেত্ৰত এইটো এটা গুৰুত্বপূৰ্ণ কথা।

**(৩) ব্যক্তিত্ব বিকাশ ৰূপ বা আকৃতি (Personality Development Format) ঃ** ইয়াৰ মূল কেন্দ্ৰবিন্দুটো হৈছে ইয়াত সাহিত্য অধ্যয়নৰ জৰিয়তে শিশুৰ মন উন্নত কৰা আৰু ব্যক্তি আৰু সংৰক্ষিত অনুভূতিক বিকশাই তোলা। এইটো আশাৰে কৰা যায় যে ল'ৰা-ছোৱালীয়ে ভাষা অধ্যয়ন কৰি নিজকে উন্নত ব্যক্তি হিচাপে গঢ় দিব পাৰে আৰু জীৱনৰ প্ৰতিটো খোজতে নিজকে এগৰাকী আৰ্হি হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে।

### ৭.৪.১ শ্ৰেণীকোঠাৰ প্ৰকাৰ ঃ

আমি সাহিত্য শিক্ষাৰ উদ্দেশ্য আৰু আৰ্হিসমূহ আলোচনা কৰিলো। কিন্তু শ্ৰেণীকোঠাত অন্তৰ্ভুক্ত পদ্ধতি কি হোৱা উচিত? কেতিয়াবা আপুনি ভাবিছেনে? শ্ৰেণীকোঠাত ব্যৱহাৰ হোৱা ভাষা শিক্ষাৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতিসমূহ কি কি? ল'ৰা-ছোৱালীয়ে ঘৰত কেনেকুৱা ধৰণৰ ভাষা ব্যৱহাৰ কৰিব লাগে? আপুনি ক'ব পাৰিবনে এই দুটা কেনেকৈ পৃথক? এইটো অংশত এইবোৰ প্ৰশ্নৰ উত্তৰ দিয়া হ'ব। আগৰ অধ্যায়বোৰত ইতিমধ্যে আহৰণ আৰু শিক্ষণৰ মাজৰ পাৰ্থক্য উল্লেখ কৰা হৈছে। আহৰণে প্ৰাকৃতিকভাৱে ঘৰৰ বাহিৰে-ভিতৰে কেনেকৈ ভাষা শিক্ষণ সম্ভৱ সেই বিষয়ে আলোচনা কৰে আৰু শিক্ষণে আনুষ্ঠানিকভাৱে কেনেকৈ সম্ভৱ সেই বিষয়ে আলোচনা কৰে।

প্ৰাকৃতিকভাৱে ল'ৰা-ছোৱালীয়ে নিজে নিজে ভাষা শিকে, কাৰণ তেওঁলোকক ভাষা আহৰণৰ কাৰণে যিমানদূৰ সম্ভৱ যত্ন আৰু মৰমেৰে শিকোৱা হয়। ভাষাৰ কাৰণে কোনো ধৰণৰ সহজাত সামৰ্থ নোহোৱাকৈ ভাষাৰ গাঁথনি আহৰণ কৰা সম্ভৱ নহয়। বিদ্যালয়তে এইবোৰ ভাষা সামৰ্থ সক্ৰিয় কৰাটো প্ৰয়োজন। সৌভাগ্যক্ৰমে সাহিত্য হৈছে এইবোৰ আহৰণৰ এক শক্তিশালী প্ৰক্ৰিয়া। প্ৰাকৃতিক দৃশ্যপটত সাহিত্যই ল'ৰা-ছোৱালীক তেওঁলোকৰ মনোযোগ বৃদ্ধিত সহায় কৰে। ব্যাকৰণ আৰু শব্দ ভাণ্ডাৰ আত্মসাৎ কৰি ল'ব পাৰে। ব্যাকৰণৰ নিয়ম আৰু নতুন শব্দ ব্যৱহাৰৰ অভ্যাস শ্ৰেণীকোঠাত $L_2$ৰ কাৰণে অত্যন্ত প্ৰয়োজন।

এজন শিক্ষক হিচাপে আপুনি জানে যে প্ৰাথমিক পৰ্যায়ত ল'ৰা-ছোৱালীৰ দ্বিতীয় ভাষাতকৈ প্ৰথম ভাষাৰ দক্ষতা বেছি। দ্বিতীয় ভাষাৰ শিক্ষক এজনৰ মুখ্য উদ্দেশ্য হৈছে নিয়ম বৰ্ণনাৰ পৰিবৰ্তে ভাষাৰ ওপৰত জোৰ দিয়া। শ্ৰেণীকোঠাটো এনেদৰে সংগঠিত কৰিব লাগে যাতে প্ৰাকৃতিক শিক্ষণ অস্বাভাৱিক শিক্ষণলৈ পৰিবৰ্তিত হয়। ল'ৰা-ছোৱালীয়ে বাস্তৱত ভাষাৰ প্ৰয়োগ সংযোগ কৰিবলৈ সমৰ্থ হোৱা উচিত।

নিদৰ্শনস্বৰূপে দ্বিতীয় ভাষা শ্ৰেণীকোঠাই কি সূচায়? ঘৰৰ বাহিৰে-ভিতৰে শিকা প্ৰাকৃতিক দৃশ্যপটতকৈ ই সম্পূৰ্ণ পৃথক। বহু দ্বিতীয় ভাষা আৰু বিদেশী ভাষা শিকোৱা শিক্ষকে ব্যাকৰণ অনুবাদপদ্ধতি (Grammar translation Method)ৰ ওপৰত বিশ্বাস কৰে। এইবোৰ শিক্ষকে শব্দৰ তালিকা বনায় আৰু বিভিন্ন উদাহৰণেৰে ব্যাকৰণৰ নিয়মসমূহ ব্যাখ্যা কৰে। ইয়াৰ পিছত এখন নিদৰ্শন দিয়ে য'ত শব্দাৰ্থ তালিকাৰ নিয়মসমূহ বৰ্ণনা কৰে আৰু অভ্যাসৰ কাৰণে কিছুমান প্ৰশ্ন দিয়া হয়। এইটো হৈছে শিক্ষক শ্ৰেণীকোঠা দৃশ্যপট য'ত প্ৰয়োজনীয় সকলো বস্তু দেখা পোৱা নাযায়।

কোনো পাৰ্থক্যলৈ নাচায় শ্ৰেণীকোঠাসমূহ প্ৰাকৃতিক সজ্জালৈ আনিব লাগে, ল'ৰা-ছোৱালীক মুক্ত মনেৰে শিকাৰ এটা পৰিবেশ দিব লাগে আৰু বুদ্ধি বিকাশ কৰিব লাগে। ল'ৰা-ছোৱালীৰ ভুলবোৰ পুনৰ হ'ব নালাগে। ল'ৰা-ছোৱালীক শ্ৰেণীকোঠাৰ বাহিৰেও এনেদৰে উপযুক্ত কৰি তুলিব লাগে যাতে তেওঁলোক বাস্তৱ জগতত ভাষা কোৱা আৰু যোগাযোগ উন্নত কৰিব পাৰে।

**অগ্ৰগতি খতিয়ান— ৫**

(১) এটা শিশুৱে স্কুললৈ অহাৰ আগত প্ৰথম ভাষা শিকে।

(ক) শিক্ষক পটভূমিত (খ) প্ৰাকৃতিক পটভূমিত (গ) পিতৃ-মাতৃৰ দ্বাৰা শিক্ষা

(ঘ) ওপৰৰ এটাও নহয়।

(২) দ্বিতীয় ভাষা শিক্ষকৰ লক্ষ্য কি হোৱা উচিত ?

____________________________________________

____________________________________________

____________________________________________

(৩) ভাষা শিক্ষণত প্ৰাকৃতিক পটভূমি আৰু শিক্ষক পটভূমিৰ মাজত পাৰ্থক্য কি?

____________________________________________

____________________________________________

____________________________________________

(৪) ব্যাকৰণ অনুবাদ পদ্ধতি কি?

____________________________________________

____________________________________________

____________________________________________

### ৭.৪.২ প্ৰথম ভাষা আৰু দ্বিতীয় ভাষা (বা বিদেশী ভাষা) শ্ৰেণীকোঠা ঃ

আপোনালোকে ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত ঘৰ আৰু শ্ৰেণীকোঠাৰ পাৰ্থক্য নিশ্চয় বুজি পাইছে। এই পাৰ্থক্যবোৰ প্ৰদৰ্শন সীমাৰ জৰিয়তে আৰু তথ্যৰ আকাৰৰ জৰিয়তে দেখা যায়। শ্ৰেণীকোঠাত কি সামগ্ৰী ব্যৱহাৰ কৰা উচিত যাৰ জৰিয়তে ল'ৰা-ছোৱালীয়ে মাতৃভাষাৰ দৰে দ্বিতীয় ভাষাও বুজিব পাৰে? সাহিত্য যিকোনো ভাষা শিকিবলৈ ব্যৱহাৰ কৰা হয়, এইটো প্ৰথম ভাষা হ'ব পাৰে নহ'লে দ্বিতীয় বা অন্য ভাষাও হ'ব পাৰে। বাছনিমূলক সাহিত্য সহজ শব্দ, সহজ বাক্যত হোৱা উচিত আৰু শব্দ গাঁঠনি সহজে বুজি পোৱা হোৱা উচিত। বাছনি কৰা অধ্যয়ন সামগ্ৰী মনোগ্ৰাহী হোৱা উচিত। ব্যাকৰণো এটা সীমাৰ ভিতৰত শিকাব লাগে য'ত প্ৰকৃততে প্ৰয়োজন। শিকাৰুৱে উন্নত কৰাৰ কাৰণে বেছি সংখ্যক সামগ্ৰী বিচাৰে। সাহিত্য হৈছে এক উৎকৃষ্ট উৎস। শিক্ষকে ল'ৰা-ছোৱালীৰ যোগ্যতা বুজি পোৱা প্ৰয়োজন আৰু উৎকৃষ্ট মানৰ সামগ্ৰী যোগান ধৰিব লাগে যাতে শিকাৰুৱে সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিব পাৰে। সেয়েহে শিক্ষকৰ বাবে এইটো দৰকাৰী আঁচনি যে ল'ৰা-ছোৱালীৰ প্ৰজ্ঞাত্মক স্তৰ উন্নত কৰিব লাগে আৰু উন্নত মানৰ সামগ্ৰী যোগান ধৰিব লাগে যাতে ল'ৰা-ছোৱালী মনোগ্ৰাহী হৈ মানসিক সামৰ্থ উন্নত কৰি সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিব পাৰে। ভাষাৰ লগত যিমানেই সংঘাত কৰিব, সিমানেই শিকিব।

বিভিন্ন ৰাজ্যত ইংৰাজী ভাষাক প্ৰথম শ্ৰেণীৰ পৰাই শিকোৱা হয়। শিক্ষকে বাছনি আৰু যোগাযোগকাৰী অধ্যয়ন সামগ্ৰীৰ ওপৰত গুৰুত্ব দিয়া উচিত যাতে প্ৰথম ভাষা শিকাৰুৱে সাহিত্যৰ দ্বিতীয় ভাষালৈ যাব পাৰে। অধ্যয়ন সামগ্ৰী বিশ্লেষণ নিম্নমানৰ হোৱা উচিত আৰু স্বাধীনচেতীয়াভাৱে সকলো বস্তু বিচৰাৰ ক্ষেত্ৰত উদ্‌গনি দিয়া উচিত।

যেতিয়া সাহিত্য ব্যৱহাৰ কৰিব তলৰ যুক্তিসমূহ মনোযোগ দিব লাগিব—

(১) সম্পূৰ্ণ নহ'লেও আংশিকভাৱে হ'লেও অধ্যয়ন সামগ্ৰী বুজি পোৱা আৱশ্যক।

(২) প্ৰতিক্ৰিয়া— ল'ৰা-ছোৱালীয়ে অধ্যয়ন সামগ্ৰীৰ ওপৰত তেওঁলোকৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব লাগে। ই মন্তব্যৰ এটা ৰূপ হ'লহেঁতেন। ই একে পুনৰাবৃত্তি নহ'ব পাৰে কিন্তু তেওঁলোকৰ ব্যক্তিগত মন্তব্য হ'ব পাৰে।

(৩) সৃষ্টিশীলতাৰ কাৰণে সুবিধা প্ৰদান কৰিব লাগে।

(৪) বিশ্লেষণত, পুনৰাবৃত্তিৰ ওপৰত বা ভুলৰ ওপৰত প্ৰদৰ্শন কৰা উচিত নহয় কিন্তু তেওঁলোকে কি পঢ়িছে তাৰ প্ৰতিক্ৰিয়ালৈ উৎসাহ যোগাব লাগে। তেওঁলোকক যুক্তিগত সম্বন্ধ স্থাপনত উৎসাহ যোগাব লাগে আৰু ধাৰণাসমূহ প্ৰশংসা কৰিব লাগে আৰু সাহিত্যত শান্তি আৰু আৱেগ প্ৰকাশ কৰিব লাগে।

### ৭.৪.৩ সাহিত্যৰ জৰিয়তে বিভিন্ন কৌশলৰ উন্নতি ঃ

কেনেকৈ সাহিত্য শ্ৰেণীকোঠাত ব্যৱহাৰ হয়, ইতিমধ্যে বহুতো আলোচনা কৰা হৈছে। শিকাৰুৱে উপযুক্ত প্ৰাসংগিকক যেনে গল্প, কবিতাৰ জৰিয়তে শিকে কিন্তু আমি সাহিত্যলৈ অন্য কোনো সুবিধা দেখা নাপাওঁ। মনোগ্ৰাহী আৰু নিবিষ্ট হোৱা গল্পসমূহে পঢ়ুৱৈৰ মনোযোগৰ কলা উন্নত কৰাত সহায়

কৰে। সাহিত্যৰ সমৃদ্ধ সামগ্ৰীসমূহ পঢ়াৰ পিছত এজন ছাত্ৰই বা ছাত্ৰীয়ে তেওঁৰ কল্পনা শক্তি, ব্যক্তিত্ব লগতে স্বাধীনতা উন্নত কৰিব পাৰে। তেওঁলোকে ৰচনা লিখাৰ কলা আৰু নজনা শব্দৰ অৰ্থ শিকিব পাৰে। সাহিত্যৰ জৰিয়তে তেওঁলোকে চিন্তা পদ্ধতি সংযম কৰিব পাৰে আৰু সমাজলৈ প্ৰত্যক্ষ বৰঙণি যোগোৱাৰ শক্তি উন্নত কৰিব পাৰে। স্কট (Scott) ৰ মতে, সাহিত্য হৈছে সৌন্দৰ্যৰ দাপোণ, নৈতিকতা আৰু আধ্যাত্মিক মূল্য আৰু সমাজ-সংস্কৃতিৰ নীতি-নিয়ম পৰিচালনাৰ প্ৰতীক। যেতিয়া সাহিত্যৰ জৰিয়তে ভাষা শিকা হয়, তেতিয়া সাংস্কৃতিক প্ৰাসংগিকতাৰ দ্বাৰা ব্যক্তিত্ব বিকাশৰ সুযোগ প্ৰদান কৰা হয়। সেইবাবে ল'ৰা-ছোৱালীক সাংস্কৃতিক জীৱনৰ লগত পৰিচয় কৰাই দিব লাগে আৰু সেইবোৰত অংশগ্ৰহণৰ সুবিধা দিব লাগে।

উইদোচন (Widdowson)ৰ মতে সাহিত্য অকল ভাষা আহৰণ বা কাৰ্য বা সাংস্কৃতিক বিষয়সমূহ বুজাত ব্যৱহাৰ কৰা উচিত নহয় কিন্তু যোগাযোগৰ কৌশল আহৰণ কৰাও ভাষা। সাহিত্য সামগ্ৰী কেৱল অধ্যয়ন কৌশল উন্নত কৰাত সহায় কৰাই নহয়, ই শুনা, পঢ়া আৰু লিখা কৌশলও উন্নত কৰে।

আচলতে বিশ্লেষণৰ জৰিয়তে আৰু সাহিত্যৰ প্ৰয়োগৰ জৰিয়তে প্ৰকৃত বাস্তৱিক ঘটনাসমূহ আৰু অভিজ্ঞতাসমূহ বুজি পোৱাটো সম্ভৱ হৈ উঠে। ই আমাক আমাৰ ব্যক্তিগত অনুভৱ আৰু সামাজিক সমস্যাত সহায় কৰে। তেওঁলোকৰ আৱেগিক দক্ষতা মতে ই পঢ়ুৱৈক সাংস্কৃতিক আৰু সাহিত্যিক প্ৰক্ৰিয়াত সহায় কৰে।

**অগ্ৰগতি খতিয়ান— ৬**

(১) মনোগ্ৰাহী সাধুসমূহে সহায় কৰে—

(ক) মনোযোগ (খ) আনুমানিক কৌশল (গ) কল্পনাপ্ৰসূত (ঘ) ওপৰৰ সকলো।

(২) শিশু সাহিত্য প্ৰদৰ্শনৰ উপযুক্ত ফলসমূহ কি কি ?

________________________________________

________________________________________

________________________________________

### ৭.৫ বিভিন্ন আকাৰৰ শিক্ষা ঃ

এজন ভাষা শিক্ষক হিচাপে আপুনি বিভিন্ন ধৰণৰ সাহিত্যিক লিখনি যেনে— গল্প, কবিতা, ৰচনা ইত্যাদিৰ লগত যোগাযোগ কৰিব লাগিব। শিক্ষাত কোনটো ৰূপ আপুনি সকলোতকৈ বেছি ভাল পালে? যেতিয়া বেছিভাগ ল'ৰা-ছোৱালীয়ে গল্প পঢ়াৰ ক্ষেত্ৰত মনোগ্ৰাহী হয় তেতিয়া কেনেকৈ আপুনি কবিতাৰ প্ৰতি আকৰ্ষিত কৰিব? আপুনি ৰচনাৰ প্ৰাসংগিকতা কেনেকৈ বৰ্ণনা কৰিব? লিখনিৰ লগত কি কৌশল আৰু শিক্ষা সঁজুলি উন্নত কৰিব? ইয়াৰে কিছুমান অংশ ইয়াত পৰিচয় কৰোৱা হৈছে আৰু ইয়াক পাঠ পৰিকল্পনাৰে বিস্তৃতভাৱে আৱৰি লোৱা হৈছে।

### ৭.৫.১ প্ৰাথমিক পৰ্যায় আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শ্ৰেণীত আকাৰ অন্তৰ্ভুক্তিৰ ভিত্তি ঃ

গল্প, পৰম্পৰাগত গল্প, উপখ্যান, নীতি কথা আৰু আখ্যান আদিৰ লগতে প্ৰাথমিক শ্ৰেণীৰ লিখনিসমূহত ছন্দও অন্তৰ্ভুক্ত হৈ আছে। উচ্চ প্ৰাথমিক পৰ্যায়ত এইবোৰ উপন্যাস, নাটক, অংকন, স্মৃতিচাৰণ গ্ৰন্থ, জীৱনী, আত্মজীৱনী আদিৰ লগত সংলগ্ন।

ল'ৰা-ছোৱালীৰ সৈতে চুটিগল্প সংযোগ কৰাৰ কিছুমান সুবিধা আছে। সেইবোৰ সৰল আৰু সাধাৰণতে সংক্ষেপে পঢ়িব পৰা যায় আৰু ইয়াৰ সংক্ষিপ্ততাই ল'ৰা-ছোৱালীক উদ্‌গনি যোগোৱাত সহায় কৰে। এইবোৰ প্ৰত্যাহ্বানমূলক, কাৰণ গোটেই ঘটনাটো কেইটামান পাতৰ মাজত সংক্ষিপ্ত কৰা হয়। এইবোৰে পঢ়ুৱৈক অধিক মনোগ্ৰাহী কৰি তোলে।

আৰম্ভণি পৰ্যায়ত ল'ৰা-ছোৱালীৰ মনোযোগ সৰল ছন্দৰে আকৰ্ষণ কৰিবলৈ সহজ। উচ্চ পৰ্যায়তে, তেওঁলোকে শব্দৰ সংবেদনশীলতা আৰু ছন্দবোৰ উন্নত কৰিব পৰা হয়। কবিতাত প্ৰায়ে ৰূপান্তৰ, অনুপ্ৰাস, উপমা অলংকাৰ ইত্যাদি প্ৰাকৃতিকভাৱে ব্যৱহাৰ হয় পদ্যতকৈ আৰু ল'ৰা-ছোৱালীয়ে এইবোৰ বিষয় কবিতাৰ জৰিয়তে পৰিচিত হয়। এইবোৰ সৃষ্টিশীল ভাষা কৌশলৰ বাবে ব্যৱহাৰ কৰা হয়।

নাটকৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ শুনা কৌশল উন্নত কৰে। নাটকে কঠিন ব্যাকৰণ গাঁঠনি প্ৰয়োগ কৰে আৰু সেইবোৰ ল'ৰা-ছোৱালীক সাহিত্যত সূচীৰ প্ৰাসংগিকতা বুজাত সহায় কৰে। যেতিয়া পঢ়ি থকা হয়, ছাত্ৰ-ছাত্ৰীৰ গোটেই দৃশ্যাংশটো দেখাত সহায় হয় আৰু এটা চৰিত্ৰই কেনেকৈ অংশগ্ৰহণৰ নিশ্চয়তা আনে তাক বুজাত সহায় হয়। এইবোৰে উদ্দীপক আৰু কল্পনাশক্তি জাগ্ৰত কৰে। নাটকৰ জৰিয়তে ল'ৰা-ছোৱালীয়ে মানুহ হোৱাৰ অৰ্থ আৱিষ্কাৰ কৰিব পাৰে। তেওঁলোকে কল্পনা, অন্তৰ্দৃষ্টি, প্ৰতিফলন আৰু আত্ম-জ্ঞান উন্নত কৰে। আজি কেইবছৰমানত সাহিত্যৰ সৈতে সামাজিকতাৰ ওপৰত গৱেষণাই পঢ়াৰ দক্ষতা উন্নতিৰ লগতে সাহিত্যৰ যোগ্যতা আৰু সামৰ্থ প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। এইটোৰ কাৰণ হৈছে পঢ়াৰ উদ্‌গনি যোগোৱাত সুবিধা দিয়া আৰু বেছিতকৈ বেছি পঢ়ুৱৈ বনোৱা। ল'ৰা-ছোৱালীক সাহিত্য দিয়া উচিত য'ত পঢ়ি আনন্দ পায়, কল্পনাপ্ৰসূত প্ৰত্যাহ্বান গ্ৰহণ কৰে আৰু বিভিন্ন সংস্কৃতিৰ প্ৰতি তেওঁলোকক সক্ৰিয় হ'বলৈ উৎসাহ যোগোৱা হয়।

প্ৰাথমিক পৰ্যায়ৰ শ্ৰেণীসমূহৰ পৰাই সাহিত্যই প্ৰধানকৈ উপন্যাস, গল্প, কবিতা, ছন্দ, পৰম্পৰাগত সাধুকথা আদিৰ কিতাপেই ব্যৱহাৰ হৈ অহাটো উচিত যাতে ল'ৰা-ছোৱালীয়ে সহজে সকলো কথা বুজিব পাৰে। শিক্ষকে ল'ৰা-ছোৱালীক সৃষ্টিমূলক পাঠৰ কৌশল শিকাব লাগে। পাঠ্যক্ৰম আৰু পাঠ্যসূচীৰ মূল লক্ষ্য ল'ৰা-ছোৱালীক সাহিত্যৰ বিভিন্ন ৰূপৰ লগত পৰিচয় কৰাই দিয়া আৰু তেওঁলোকৰ প্ৰত্যক্ষ দৃষ্টিভংগী উন্নত কৰাৰ সুবিধা দিয়া আৰু ল'ৰা-ছোৱালীৰ অধ্যয়ন আৰু পঢ়া অভ্যাসৰ ফালে গুৰুত্ব প্ৰদান কৰা।

সাহিত্যই উন্নতিৰ ক্ষেত্ৰত বৰঙণি যোগাব পৰা বিষয়সমূহ হ'ল ভাষা কৌশল (পঢ়া, লিখা, শুনা আৰু কোৱা) লগতে ভাষা পৰিসৰ (শব্দসম্ভাৰ আৰু ব্যাকৰণ)। লিখনিৰ প্ৰক্ৰিয়াই কেনেদৰে বুজাত সহায় কৰে আৰু ছাত্ৰ-ছাত্ৰীক কৌশল প্ৰদান কৰে, তাৰ বাবে আমি NCERTৰ হিন্দী আৰু ইংৰাজীৰ পাঠ্যপুথিসমূহ চাব পাৰো। প্ৰথম শ্ৰেণীৰ হিন্দী পাঠ্যপুথিখন সৰল ছন্দৰে আৰম্ভ হৈছে। গল্পসমূহ সুন্দৰ

এক সামৰণিৰে আৰম্ভ হৈছে য'ত ল'ৰা-ছোৱালীয়ে যথেষ্ট মনোযোগ প্ৰদান কৰে। অন্যহাতে পঞ্চম শ্ৰেণীৰ কিতাপত বিভিন্ন ধৰণৰ গদ্য (গল্প, ৰচনা, সাক্ষাৎকাৰ), পদ্য আৰু নাটকৰ যথেষ্ট উদাহৰণ আছে। প্ৰেমছান্দৰ ইদ্‌গাহ গল্পটোত ল'ৰা-ছোৱালীৰ অনুভূতি উন্নত হয়। পাঠ্যপুথি বিশ্লেষণে আপোনাক শ্ৰেণীকোঠাত সাহিত্য নিৰ্বাচনত সহায় কৰিব।

উচ্চ প্ৰাথমিক শ্ৰেণীসমূহত শৈশৱ আৰু বয়সন্ধিৰ মাজত। এইটো স্তৰত, গল্প আৰু কবিতা দুয়োটাই ল'ৰা-ছোৱালীৰ মনত বিষণ্নতা আনে লগতে তেওঁলোকৰ সম্ভাব্য ভৱিষ্যতক লৈ অনুপ্ৰেৰণা যোগায় আৰু ইয়াৰ প্ৰাসংগিকতা উল্লেখ কৰে। নাটকে তেওঁলোকক আগতে কৰিব নোৱাৰা বা বুজিব নোৱাৰা অনুভূতি বুজি পাবলৈ সমৰ্থ কৰি তোলে। আমি ভাষা শিকিবলৈ প্ৰকৃত সাহিত্য নিৰ্বাচন কৰা উচিত যাতে এইবোৰে শৈশৱকাল আৰু বয়সন্ধি কালৰ পাৰ্থক্য প্ৰতিফলিত কৰিব পাৰে।

**৭.৫.২ শ্ৰেণীকোঠাত কেনেকৈ সাহিত্যৰ ৰূপ ব্যৱহাৰ কৰা হয়? ঃ**

ইয়াত আমি বিভিন্ন ধৰণৰ সাহিত্যৰ আকাৰ যেনে— গল্প, কবিতা, উপন্যাস, একাংগিকা নাটক— পাঠ্যপুথি আৰু বিষয়সূচী আদি শ্ৰেণীকোঠাত ভাষা শিক্ষাত কেনেকৈ ব্যৱহাৰ হয় আলোচনা কৰিম।

**গল্প বা চুটি গল্পৰ পৰা উদ্ধৃতিৰ প্ৰয়োগ ঃ** বেছিসংখ্যক পাঠ্যপুথিতেই চুটিগল্প আছে। আপুনি এটা উপযুক্ত গল্পৰ পৰা উদ্ধৃতি বাছনি কৰিব পাৰে আৰু তলৰ প্ৰদত্ত কাৰ্যসমূহ আনিব পাৰে—

যদি লিখনিটো এটা দীঘল গল্পৰ পৰা উদ্ধৃত হয়, আপুনি ল'ৰা-ছোৱালীক লিখিব ক'ব পাৰে ইয়াৰ পিছত কি হ'ব বা ইয়াৰ আগত কি হ'লহেঁতেন?

আপুনি ল'ৰা-ছোৱালীক যিকোনো এটা বিশেষ চৰিত্ৰৰ ওপৰত ব্যক্তিত্ব প্ৰকাশ কৰিব ক'ব পাৰে।

দুটা চৰিত্ৰৰ মাজত নাটক কৰাটো কেনেকৈ উন্নত কৰিব পাৰি, ছাত্ৰ-ছাত্ৰীয়ে সুধিব পাৰে।

শিক্ষকে শ্ৰেণীত সাধুকথা ক'ব পাৰে আৰু ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধি যিকোনো এটা বিষয়ত বৰ্ণনা বন্ধ কৰিব পাৰে। বিভিন্ন পৰ্যায়ৰ কাৰণে প্ৰশ্নসমূহ বেলেগ হ'ব লাগে। ছাত্ৰ-ছাত্ৰীক সাধাৰণতে এনেকুৱা ধৰণৰ প্ৰশ্ন কৰিব লাগে ঘটনাটোত সিহঁতে কি চিন্তা কৰিছে? তেওঁলোকৰ মনত কি ধৰণৰ কল্পনাই ৰূপ লৈছে, বিভিন্ন চৰিত্ৰৰ ওপৰত তেওঁলোকৰ অনুভৱ কেনেকুৱা? গল্পটোৰ ওপৰত তেওঁলোকৰ মনত কেনেকুৱা প্ৰশ্ন আহিছে? প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীয়ে মুখেৰে উত্তৰ দিব য'ত উচ্চ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ উত্তৰসমূহ এখন আলোচনী আকাৰত কৰিব পাৰে। প্ৰচলিত সাধুকথা যেনে— আকবৰ-বিৰবল, আলাহউদ্দিন, গোনুজা, টেনলি ৰাম ইত্যাদি কাৰ্যাৱলীৰ কাৰণে বাছনি কৰিব পাৰি, কাৰণ ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ জগতখন সহজতে ভৱিষ্যতবাণী কৰিব পাৰে।

আপুনি এটা কবিতা আবৃত্তি কৰিব পাৰে আৰু ল'ৰা-ছোৱালীক স্পষ্ট শব্দ আৰু প্ৰকাশভংগীৰে আবৃত্তি কৰিব দিব লাগে। আপুনি তলত দিয়াবোৰো কৰিব পাৰে—

কবিতাৰ মাজত সোমাই থকা গল্পটো লিখিব ক'ব পাৰে। এইটো কাৰ কবিতা? কিয় এই

কবিতাটো লিখা হৈছে?

কবিতাটো আলোচনা কৰা বিষয়সমূহ বৰ্ণনা কৰিব ক'ব পাৰে আৰু এই বিষয়টো কেনেকৈ জীৱনৰ লগত জড়িত? তেওঁলোকৰ বৰঙণি প্ৰকাশ কৰিব লাগে।

ছাত্ৰ-ছাত্ৰীক কবিতাটোৰ গাঁঠনি পৰিবৰ্তন নকৰাকৈ পুনৰাই লিখিব দিব লাগে— মাত্ৰ অৰ্থ পৰিবৰ্তন কৰিব লাগে।

আগৰণুৱা ছাত্ৰ-ছাত্ৰীসকলক কবিতাটোৰ বৈশিষ্ট্য সম্পৰ্কে বৰ্ণনা কৰিব দিব লাগে আৰু শুনি কিমান ভাল লাগিলে ক'ব দিব লাগে। তেওঁলোকে ছন্দসমূহ আলোচনা কৰিব পাৰে।

**নাটকৰ ব্যৱহাৰ**

আপোনাৰ শ্ৰেণীত কি ধৰণৰ নাটক ল'ব আপুনি নিজেই সিদ্ধান্ত কৰক। কিছুমানে আৰ্থাৰ মিলাৰ, ছাকি আদিৰ সমসাময়িক নাটকসমূহক গুৰুত্ব দিয়ে। বিখ্যাত নাট্যকাৰ শ্বেইক্সপীয়েৰ বা ভাৰ্টান্দুজ (Bhartendu)ৰ 'Andher-Nagari', ৰাম কুমাৰ বাৰ্মাৰ 'Ashoka Shastra Tyag' আদি হিন্দী সাহিত্যৰ বিখ্যাত নাটক। এইবোৰ নাটকে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু আৱেগক জড়িত কৰি শিকিবলৈ সামৰ্থ কৰে।

ছাত্ৰ-ছাত্ৰীক নিজাকৈ নাটক আনি মঞ্চস্থ কৰিবলৈ ক'ব পাৰি। তেওঁলোকে সামগ্ৰীসমূহ বাতৰিকাকত কাটি, বিষয়বস্তু লিখি, ছবি বা অন্য সামগ্ৰী যি নাটকৰ বাবে দৰকাৰী আনিব পাৰে। এইবোৰ অভ্যাসে তেওঁলোকক নিজৰ প্ৰতিক্ৰিয়া প্ৰদানত আৰু যোগাযোগ মাধ্যমত সহায় কৰিব আৰু নিজে জীয়াই থকা পৃথিৱীখনৰ লগত পৰিচয় কৰাই দিব।

**৭.৫.৩ সাহিত্য শ্ৰেণীকোঠাত সন্মুখীন হোৱা সমস্যা ঃ**

যদি সাহিত্য সামগ্ৰীসমূহ সঠিকভাৱে বাছনি কৰা নহয় তেনেহ'লে ছাত্ৰ-ছাত্ৰীসকলে ভাষিক আৰু প্ৰজ্ঞাত্মক স্তৰত সমস্যাৰ সন্মুখীন হ'ব লাগিব। যদি লিখনিৰ প্ৰাৰম্ভিক অৰ্থসমূহ বুজি নাপাই তেতিয়া তেওঁলোকে শব্দসম্ভাৰ বা ব্যাকৰণ আদিত মনোযোগ কমাই দিব। যদি ছাত্ৰ-ছাত্ৰীয়ে সঠিক মাত্ৰাত ভাষা শিকিব লাগে তেনেহ'লে ভাষাৰ ৰূপ আদি সুন্দৰভাৱে বুজি পাব লাগিব। বিভিন্নজনে ভাষা শিক্ষকে বিভিন্ন সমস্যাৰ মুখামুখি হয়। শিক্ষকে ছাত্ৰ-ছাত্ৰীক ধৰিব পাৰিব লাগিব, কাৰণ তেওঁলোক বিভিন্ন পৰিবেশৰ পৰা অহা আৰু তেওঁলোকক যোগ্যতা প্ৰদান কৰিব লাগিব। তেওঁলোকে বুজি পাব লাগিব যে ভাষা শিক্ষণত প্ৰথম ভাষাতকৈ দ্বিতীয় ভাষা শিকাটো সম্পূৰ্ণ বেলেগ। সাহিত্য লিখনি স্তৰটো প্ৰাথমিক পৰ্যায়ৰ বাবে প্ৰথম ভাষাক প্ৰাধান্য দিয়া হয়। সাহিত্যত দ্বিতীয় ভাষাৰ ওপৰত শিক্ষকৰ দক্ষতা অত্যন্ত প্ৰয়োজন। ভাষা শিক্ষণৰ ক্ষেত্ৰত কৃতকাৰ্যতা পাবলৈ শিক্ষক প্ৰশিক্ষণ পাঠ্যক্ৰম অতিকৈ প্ৰয়োজন।

**অগ্ৰগতি খতিয়ান— ৭**

(১) সাহিত্য অধ্যয়নৰ দ্বাৰা কোনটো কৌশল উন্নত হয়?

(ক) পঢ়া (খ) লিখা (গ) কোৱা (ঘ) শুনা।

(২) শ্ৰেণীকোঠাত নাটকৰ জৰিয়তে ভাষা শিক্ষাত কেনেকুৱা মূল্যৰ শিক্ষা লাভ কৰা হয়?

————————————————————————————

————————————————————————————

————————————————————————————

(৩) প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পাঠ্যপুথিত সন্নিৱিষ্ট সাহিত্যৰ ৰূপসমূহ শ্ৰেণীবিভাগ কৰক। আৰু সাহিত্যৰ কোনটো ৰূপ তাত প্ৰয়োগ নহয় এখন তালিকা বনাওক।

————————————————————————————

————————————————————————————

————————————————————————————

(৪) নিম্ন প্ৰাথমিক শ্ৰেণীত সাহিত্য বাছনিৰ মূল ভিত্তি কি?

————————————————————————————

————————————————————————————

————————————————————————————

## ৭.৬ সাৰাংশ

- সাহিত্যই সকলো প্ৰকাৰৰ লিখনি কঢ়িয়াই আনে কিন্তু মূল উপাদান হ'ল সৃষ্টি আৰু কল্পনাপ্ৰসূত লিখনি; তথ্য যোগানকাৰী সাহিত্য আৰু বিজ্ঞাপনপ্ৰসূত প্ৰকৃত সাহিত্যৰ ৰূপ নহয়।
- সাহিত্য দুই প্ৰকাৰৰ— সৃষ্টিমূলক আৰু অ-সৃষ্টিমূলক। সৃষ্টিমূলক সাহিত্যৰ উদ্দেশ্য হ'ল আনন্দ দিয়া, সহানুভূতি বঢ়োৱা, আৰু অনুভূতি প্ৰৱণতা। ইয়াত আমি গল্প, কবিতা, ৰচনা, ছবি সম্ভাৰ আদি পাওঁ। অ-সৃষ্টিমূলক সাহিত্যত আমি প্ৰধানকৈ তথ্য আহৰণ কৰো, ঘটনাবোৰ মনত কৰো আৰু সমস্যা সমাধান কৰো। যেনে— বাতৰিকাকত, অভিধান, বিজ্ঞান জড়িত সাহিত্য ইত্যাদি।
- ভাষা শিক্ষণত সাহিত্যৰ ঠাইত অন্যান্য ছপা সামগ্ৰী যেনে— বিজ্ঞাপন, কাৰ্টুন আদি ব্যৱহাৰ হয়।
- ৰূপৰ ভিত্তিত সাহিত্য তিনিটা শ্ৰেণীত বিভক্ত— গদ্য (গল্প, উপন্যাস, আত্মজীৱনী, ভ্ৰমণ),

পদ্য (কবিতা, দ্বিপদী কবিতা, চতুষ্পদী কবিতা), নাটক।

- ভাষিক শ্ৰেণীকোঠাত সাহিত্যৰ তিনিটা আৰ্হি ব্যৱহাৰ হয়— ভাষা আৰ্হি, সাহিত্যিক সম্পৰ্কীয় আৰ্হি, ব্যক্তিত্ব উন্নতকৰণ আৰ্হি।
- ভাষা শিক্ষণৰ দুটা উপায় আছে— ভাষা আহৰণ আৰু ভাষা শিক্ষণ।
- শ্ৰেণীকোঠাত শিকোৱা ভাষা সদায় সঠিক আৰু ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী হোৱা উচিত।
- সাহিত্য প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীয়ে সৃষ্টিশীলতা, যিকোনো লিখনিত মন্তব্য, আত্মবোধ, বিশ্লেষণৰ ক্ষমতা আৰু মনোযোগ উন্নত কৰিব পাৰে। তেওঁলোক কল্পনাপ্ৰসূত, সামাজিক আৰু সাংস্কৃতিকভাৱে আগবাঢ়িব পাৰে।
- শিশু সাহিত্যৰ জৰিয়তে ল'ৰা-ছোৱালীয়ে কল্পনা প্ৰৱণতা, অধ্যয়নৰ প্ৰতি আগ্ৰহ আৰু আত্ম প্ৰকাশৰ ক্ষমতা অৰ্জন কৰে।
- প্ৰাথমিক ভাষাৰ কৌশলসমূহে (পঢ়া, লিখা, শুনা আৰু কোৱা) সাহিত্যত বৰঙণি আগবঢ়াই আৰু প্ৰকাশ, সৃষ্টিমূলক লিখনি, শব্দ-অৰ্থ আৰু ব্যাকৰণৰ সৌষ্ঠৱ বঢ়ায়।

প্ৰদত্ত কাৰ্য ঃ

পুথিভঁৰালৰ কাৰণে আপোনাৰ শ্ৰেণীকোঠাৰ এটা কোণ লওঁক আৰু লিখনি সামগ্ৰী সম্বন্ধে সম্পূৰ্ণ বিৱৰণ আগবঢ়াওক। বাছনি কৰা বিষয়সমূহ— কিতাপৰ সংখ্যা, জ্ঞান, প্ৰয়োজনভিত্তিকতা ইত্যাদি)।

### ৭.৭ পৰামৰ্শ আৰু প্ৰাসংগিকতা

Agnihotro, R.K. (2007). Hindi : An Essential Grammar, London Routledge.

Krashem, Stephen D. 1981. Principles and Practice in second language Acquisition. English language teaching series. London : Prentice– Hall International (UK) Ltd.

Widdowson, H.G. 1990. Aspects of language teaching. Oxford : Oxford University Press. Working Papers of the Summer Institute of Linguisticks, 1997, Universityof North Dakota Session 1997 Volume 41.1

Ler. letras. UP. PT/uploads/Ficheiros/6082.Pdf 10 Now-2011)

### ৭.৮ পাঠভিত্তিক অভ্যাস

(১) উদ্দেশ্যৰ ভিত্তিত সাহিত্যক কি কি ভাগত ভাগ কৰা হৈছে?

(২) যেতিয়া সাহিত্য ব্যৱহাৰ কৰিব এজন শিক্ষক হিচাপে আপোনাৰ অভিজ্ঞতাসমূহ কি?

(৩) আপোনাৰ ছাত্ৰ-ছাত্ৰীক প্ৰকৃত লেখা বা সাৰাংশৰে উদঙাই দিব পাৰিবনে? যুক্তি দিয়ক।

(৪) ল'ৰা-ছোৱালীক উদ্‌গনি যোগোৱাৰ ক্ষেত্ৰত কেনেকুৱা ধৰণৰ পৰিপূৰক সামগ্ৰী দিব?

(৫) সাহিত্যৰ শ্ৰেণীত আপুনি ছাত্ৰ-ছাত্ৰীক চাৰিটা কৌশলৰ অভ্যাস কেনেকৈ কৰাব?

(৬) কাব্যিক কবিতা বুলিলে কি বুজা? উদাহৰণ দিয়া।

(৭) যেতিয়া ভাষা শিকাব সাহিত্যৰ বিভিন্ন ৰূপবোৰ কেনেকৈ ব্যৱহাৰ কৰিব? উদাহৰণৰ সহায়ত বৰ্ণনা কৰক।

(৮) যেতিয়া নিম্ন প্ৰাথমিক শ্ৰেণীৰ বাবে গল্প বা কবিতা বাছনি কৰা হয়, আপুনি কি বস্তু বিবেচনা কৰিব?

(৯) ভাষা শিক্ষাত সাহিত্যৰ ভূমিকা সম্পৰ্কে বুৰঞ্জীমূলক প্ৰেক্ষাপটৰ ভিত্তিত আলোচনা কৰক।